**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

১। এটা ব্যৱসায়িক গোষ্ঠীৰ বিৰুদ্ধে উপঢৌকন লোৱাৰ অভিযোগত আৰু উত্তৰ প্ৰদেশৰ সম্বলৰ হিংসাৰ বিষয়ত আলোচনা বিচাৰি বিৰোধীয়ে কৰা হুলস্থূলীয়া পৰিবেশৰ বাবে দুয়োখন সদন দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

২। বাংলাদেশে যোৱা দুদিনত ইস্কনৰ ৮৩গৰাকী সদস্যক বৈধ পাছপোৰ্ট আৰু ভিছা থকা সত্বেও বেনাপোল তালাচী চকীৰে ভাৰতলৈ অহাত বাধা আৰোপ কৰিছে।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি অসম দিৱস পালন কৰা হৈছে।

৪। কৰ অপৰাধ, অবৈধ অস্ত্ৰ ৰখা আৰু বন্দুক সম্পৰ্কীয় বিষয়ত ভুৱা মন্তব্য কৰাৰ অভিযোগত অভিযুক্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ পুত্ৰ হাণ্টাৰ বাইডেনক ৰাষ্ট্ৰপতি জ' বাইডেনে ৰাষ্ট্ৰপতিৰ ক্ষমাদান জাৰি কৰিছে। ***আৰু***

৫। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মাণ্ডাৱিয়াই কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে স্বাস্থ্য খণ্ডক সহজ আৰু সুলভ কৰি তুলিছে।

oooooo

এটা ব্যৱসায়িক গোষ্ঠীৰ বিৰুদ্ধে উপঢৌকন লোৱাৰ অভিযোগত আৰু উত্তৰ প্ৰদেশৰ সম্বলৰ হিংসাৰ বিষয়ত বিৰোধীয়ে কৰা হুলস্থূলীয়া পৰিবেশৰ বাবে দুয়োখন সদন দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। লোকসভাৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছত বিৰোধী পক্ষৰ সাংসদসকলে মণিপুৰৰ পৰিস্থিতিকে ধৰি বিভিন্ন বিষয় আলোচনা কৰিবলৈ দাবী জনাই পৰিস্থিতি উত্তাল কৰি তোলে। অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে যদিও বিৰোধী পক্ষৰ নেতাসকলে অবিৰতভাৱে শ্লোগান দি থাকে। বিৰোধী কংগ্ৰেছ, বাওঁ দল আৰু ডি এম কেৰ কেইবাজনো সাংসদে নিজৰ আসনৰ পৰা উঠি আহি অধ্যক্ষৰ আসনৰ কাষত শ্লোগান দিয়ে। অধ্যক্ষই প্ৰথমে দুপৰীয়া ১২ বজালৈকে সদন স্থগিত ৰাখে আৰু তাৰ পাছত সদন পুনৰ মিলিত হোৱাৰ পাছত পুনৰ হুলস্থূলীয়া পৰিবেশ সৃষ্টি হোৱাত দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্যসভাতো বিৰোধী পক্ষৰ সাংসদসকলে উত্থাপন কৰা সভাস্থগিত প্ৰস্তাৱ সভাপতি জগদীপ ধনখড়ে নাকচ কৰে। বিৰোধী কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী, বাওঁ দলসমূহ, আপ আৰু অন্য দলসমূহৰ সদস্যসকলে সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে। সদন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সভাপতি ধনখড়ে

সদস্যসকলক আহ্বান জনায় যদিও হুলস্থূলীয়া পৰিবেশৰ বাবে সদন প্ৰথমে দিনৰ ১২ বজা আৰু তাৰ পাছত দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। দুয়োখন সদন কাইলৈ পুনৰ ১১ বজাত মিলিত হ'ব।

০০০০০০

বাংলাদেশে যোৱা দুদিনত ইস্কনৰ ৮৩গৰাকী সদস্যক বৈধ পাছপোৰ্ট আৰু ভিছা থকা সত্বেও বেনাপোল তালাচী চকীৰে ভাৰতলৈ অহাত বাধা আৰোপ কৰিছে। বেনাপোল প্ৰব্ৰজন আৰক্ষীৰ দায়িত্বৱাহী বিষয়া ইমটিয়াজ আহছানুল কাদৰ ভূঞাই এই কথা স্পষ্ট কৰি কয় যে বাংলাদেশৰ বিভিন্ন জিলাৰ পৰা ইস্কনৰ এই সদস্যসকলে ধৰ্মীয় ৰীতি-নীতি পালনৰ বাবে ভাৰতলৈ যাবলৈ বেনাপোল তালাচী চকীত উপস্থিত হৈছিল যদিও তেওঁলোকক ঘূৰাই পঠিওৱা হয়। বিষয়াগৰাকীয়ে কয়, যে ইস্কনৰ সদস্যসকলৰ ওচৰত বৈধ পাছপোৰ্ট আৰু ভিছা আছিল যদিও যাত্ৰাৰ বাবে বিশেষ চৰকাৰী অনুজ্ঞাপত্ৰ নথকাৰ বাবে তেওঁলোকক ঘূৰাই পঠিওৱা হয়।

ইফালে, বাংলাদেশত শেহতীয়াকৈ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ বিৰুদ্ধে ব্যাপক হাৰত আক্ৰমণ-নিৰ্যাতনৰ ঘটনাৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় কৃষ্ণ চেতনা সংঘ, ইস্কনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইস্কনৰ কলকাতা শাখাই আন্তঃৰাষ্ট্ৰীয় শান্তি সংগঠনসমূহে হিন্দু সকলৰ ওপৰত হোৱা আক্ৰমণ আৰু অত্যাচাৰৰ বিষয়ে মৌনতা অৱলম্বন কৰাৰ অভিযোগ তুলিছে। ইস্কন কলকাতাৰ উপ-সভাপতি তথা মুখপাত্ৰ ৰাধাৰমন দাসে কয়, যে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ সংস্থাসমূহক সহায়ৰ বাবে আহ্বান জনাইছে যদিও এতিয়ালৈকে কোনেও সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। উল্লেখযোগ্য যে বাংলাদেশত যোৱা নিশা শ্যাম দাস নামৰ ইস্কনৰ আন এগৰাকী সাধুক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী পালন কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হৈছে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম দিৱসৰ ক্ষণত আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতাগৰাকীলৈ শ্ৰদ্ধা জনায়। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে অসমীয়া জাতিৰ ৰূপৰেখা আঁকি স্বৰ্গদেউ চ্যুকাফাই অসম ভূমিক প্ৰাণৱন্ত কৰি তুলিছিল। সবল নেতৃত্ব, বিচক্ষণতা তথা দূৰদৰ্শী সিদ্ধান্ত গ্ৰহণেৰে চ্যুকাফাই অসমীয়া জাতিক মহীয়ান কৰি যোৱা সোণসেৰীয়া সময়ক ভিত্তি কৰি উত্তৰ প্ৰজন্মই অধ্যয়ন আৰু গৱেষণাৰ মাধ্যমেৰে নতুন বাট মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম দিৱস উপলক্ষে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত উল্লেখ কৰে যে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শ আৰু কৰ্ম কুশলতা যুগে যুগে বন্দিত হৈ থাকিব। সাত ৰাজ সামৰি এক ৰাজ কৰি চ্যুকাফাই এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ পথ প্ৰশস্ত কৰি থৈ গৈছে বুলি শ্ৰীসোণোৱালে উল্লেখ কৰে।

০০০০০০

ইলেক্ট্ৰনিক ভোটিং মেচিন সন্দৰ্ভত ভুৱা অভিযোগ প্ৰচাৰ কৰা ব্যক্তি আৰু সংগঠনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা হ'ব বুলি মহাৰাষ্ট্ৰৰ মুখ্য নিৰ্বাচনী বিষয়া এছ ছক্লিনগামে সকিয়াই দিছে। সদ্যসমাপ্ত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিৰোধী মহাবিকাশ অঘাৰীৰ নেতাসকলে ই ভি এম জালিয়াতি কৰা হোৱা বুলি অনা অভিযোগৰ পাছত তেওঁ এইদৰে কয়। তেওঁ কয়, যে এই সন্দৰ্ভত উত্তেজনা বিয়পোৱা সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কৰ্তৃপক্ষইও এই সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছে বুলি মহাৰাষ্ট্ৰৰ মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। প্ৰবাসত বাস কৰা জনৈক ছৈয়দ ছুজা নামৰ এজন ব্যক্তিয়ে এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰি থকাৰ বাবে নিৰ্বাচন আয়োগে তেওঁৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰিছে বুলি ছক্লিনগামে প্ৰকাশ কৰে।

০০০০০০

কৰ অপৰাধ, অবৈধ অস্ত্ৰ ৰখা আৰু বন্দুক সম্পৰ্কীয় বিষয়ত ভুৱা মন্তব্য কৰাৰ অভিযোগত অভিযুক্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ পুত্ৰ হাণ্টাৰ বাইডেনক ৰাষ্ট্ৰপতি জ' বাইডেনে ৰাষ্ট্ৰপতিৰ ক্ষমাদান জাৰি কৰিছে। এটা আনুষ্ঠানিক বিবৃতিত ৰাষ্ট্ৰপতি বাইডেনে তেওঁৰ সিদ্ধান্তক সমৰ্থন কৰি কয় যে এই অভিযোগ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত আছিল। তেওঁ এই সিদ্ধান্ত গ্ৰহণত এগৰাকী পিতৃ হিচাপে আৰু এজন ৰাষ্ট্ৰপতিৰ ভূমিকাক গুৰুত্ব দিয়ে। এই অভিযোগত অহা সপ্তাহত হাণ্টাৰ বাইডেনক দোষী সাব্যস্ত কৰাৰ কথা আছিল। ইফালে, নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে এই ক্ষমাদানক গৰিহণা দিছে। ট্ৰাম্পে এয়া অন্যায় বুলি অভিযোগ কৰে।

০০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মাণ্ডাৱিয়াই কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে স্বাস্থ্য খণ্ডক সহজ আৰু সুলভ কৰি তুলিছে। নতুন দিল্লীত আজি পুৱা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ডাঃ মাণ্ডাৱিয়াই কয় যে ২০১৪ চনত দেশত ৩৮৭খন চিকিৎসা মহাবিদ্যালয় থকাৰ বিপৰীতে যোৱা দশকত এই সংখ্যা দুগুণলৈ বৃদ্ধি হৈ ৭৮০খন হৈছে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা বিশ্বৰ সৰ্ববৃহৎ চিকিৎসা আঁচনি হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই আঁচনিৰ অধীনত ১২ কোটি পৰিয়ালক ৫ লাখ টকাৰ স্বাস্থ্য বীমাৰ অধীনত সামৰি লোৱা হৈছে। ইয়াৰ অধীনত ৭০ বছৰ আৰু ততোধিক বয়সৰ লোকক অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ লগতে উন্নত আন্তঃগাঁথনি, দক্ষ কৰ্মী, ঔষধৰ ক্ষেত্ৰত গৱেষণা, ঔষধৰ উপলব্ধতা তথা উন্নত নিদান ব্যৱস্থাকে ধৰি স্বাস্থ্য খণ্ডত সৰ্বাঙ্গীন উন্নয়নৰ হকে কাম কৰি থকা হৈছে বুলি মন্তব্য কৰে।

০০০০০০

বিধানসভা নিৰ্বাচনত কংগ্ৰেছে তেলেংগানাবাসীক দিয়া প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হৈছে বুলি বিজেপিয়ে অভিযোগ কৰিছে। হায়দৰাবাদত আজি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে এখন অভিযোগনামা প্ৰকাশ কৰি প্ৰদেশ বিজেপিৰ সভাপতি আৰু কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে কয়, যে বিধানসভা নিৰ্বাচনৰ সময়ত ভূমি দখলকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি দিয়া প্ৰতিশ্ৰুতি পালনত কংগ্ৰেছ নেতৃত্বাধীন তেলেংগানা চৰকাৰ ব্যৰ্থ হৈছে। শ্ৰীৰেড্ডীয়ে কয় যে ৰাজ্যখনত বি আৰ এছ আৰু কংগ্ৰেছ চৰকাৰৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নাই। কৃষক, মহিলা আৰু যুৱ প্ৰজন্মক দিয়া প্ৰতিশ্ৰুতি কংগ্ৰেছ চৰকাৰে পূৰণ কৰা নাই বুলি ৰেড্ডীয়ে অভিযোগ কৰে। আনহাতে কংগ্ৰেছে অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰদেশ বিজেপিৰ নেতাসকলক

সতৰ্ক কৰি দিয়াৰ পাছতেই বিজেপিয়ে এবছৰ হোৱা তেলেংগানা চৰকাৰৰ বিৰুদ্ধে অভিযোগনামা প্ৰকাশ কৰিছে। কালি মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে এখন সংবাদ মেলত কৃষকৰ কল্যাণৰ বাবে তেওঁৰ চৰকাৰ দায়বদ্ধ বুলি পুনৰ দোহাৰে।

oooooo

ৰাজধানী দিল্লীত বায়ুৰ গুণাগুণ সামান্য উন্নত হৈছে যদিও আজি পুৱাৰ ভাগত বায়ুৰ গুণাগুণ সূচকাংক ২৭৪লৈ বৃদ্ধি পাইছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ তথ্য অনুসৰি দিল্লীৰ একাংশ অঞ্চলে ৩০০ এ কিউ আই স্তৰ ভংগ কৰিছে। দিল্লীৰ নেহৰু নগৰ ষ্টেচনত এ কিউ আই ৩৩৬, ছাদিপুৰত ৩১৯, জাহাংগীৰপুৰীত ৩১০, দ্বাৰকা চেক্টৰত ৩০৮ আৰু আনন্দ বিহাৰত ৩০৪ বুলি জানিব পৰা গৈছে। আগন্তুক দুদিনত দিল্লী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত নিশা আৰু পুৱাৰ ভাগত ধোঁৱা আৰু কুঁৱলী সদৃশ পৰিবেশৰ সৃষ্টি হ'ব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান কৰিছে।

oooooo

সমাপ্ত